**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে বাছনিকৃত ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰে। ৰাজ্য চৰকাৰে স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ ফলত বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে বুলি তেওঁ মন্তব্য কৰে। আজি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। বৰ্তমান সময়ত ৰাজ্য চৰকাৰে স্বচ্ছতা আৰু মেধাসম্পন্ন লোকৰ নিযুক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ ফলত যুৱক-যুৱতীসকলৰ মাজত অধ্যয়নৰ জৰিয়তে চৰকাৰী নিযুক্তি লাভৰ ক্ষেত্ৰত আশাৰ সঞ্চাৰ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এতিয়াৰ দৰে নিযুক্তিৰ পৰিবেশ ৰাজ্যত পূৰ্বতে কেতিয়াও হোৱা নাছিল বুলি তেওঁ কয়।

বাইট

চৰকাৰী খণ্ডত সংস্থাপন নোপোৱা যুৱক-যুৱতীসকলে ব্যক্তিগত খণ্ডত নিযুক্তি পাব পৰাৰ এটা পৰিবেশ ৰাজ্যখনত সৃষ্টি হৈছে বুলিও ভাষণ প্ৰসঙ্গত তেওঁ উল্লেখ কৰে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উদ্যোগসমূহত নিযুক্তিৰ সুবিধা সৃষ্টি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অহা ১৩ নৱেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে বাছনিভুক্ত সাত হাজাৰ ৮৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনৰ পৰিয়ালক কাইলৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। ৰাজ্য চৰকাৰে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত সমগ্ৰ ৰাজ্যৰ লগতে মৰিগাঁও জিলাতো খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত প্ৰতিটো পৰিয়ালক এই খাদ্যসামগ্ৰীসমূহ যোগান ধৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে কাইলৈ পুৱা এই আঁচনিখনৰ শুভাৰম্ভ কৰিব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ

উপলভ্য হ'ব। বিশেষভাৱে তৈয়াৰী ১ কিলোগ্ৰামৰ পেকেটত এই সামগ্ৰীসমূহ প্ৰতি মাহে অন্য সেৱা দিন অৰ্থাৎ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত ই-প'চ মেচিনৰ জৰিয়তে সুলভ মূল্যৰ দোকানসমূহৰ পৰা বিতৰণ কৰা হ'ব।

০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ অংশ হিচাপে যুদ্ধ বিমানৰ আকৰ্ষণীয় উৰণ কৌশল প্ৰদৰ্শন কৰে। কেন্দ্ৰীয়ভাৱে আয়োজিত এই দৃষ্টিনন্দন এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমান আৰু হেলিকপ্তাৰে ভাগ লয়। প্ৰদৰ্শনীত যুদ্ধ বিমানসমূহৰ উৰণ কৌশল প্ৰদৰ্শনৰ লগতে শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০

সৰ্বভাৰতীয় টেনিছ সন্থা আৰু আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেশ্যনৰ সহযোগত সদৌ অসম টেনিছ সন্থাই কাইলৈৰ পৰা গুৱাহাটীত দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতা দুখনত ভাৰতৰ লগতে বিশ্বৰ ১৫খন দেশৰ ২০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী অধ্যাপক দিলীপ চৌধুৰীৰ আজি গুৱাহাটীৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যাপক চৌধুৰী, উচ্চ শক্তিসম্পন্ন পদাৰ্থ বিজ্ঞানৰ গৱেষণামূলক কামৰ বাবে সুপৰিচিত আছিল। নলবাৰী জিলাৰ পকোৱাত জন্মগ্ৰহণ কৰা ড০ চৌধুৰীয়ে কটন মহাবিদ্যালয়ৰ পৰা বি এছ চি আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি ডিগ্ৰী লাভ কৰাৰ পাছত পি এইছ ডি ডিগ্ৰী সম্পূৰ্ণ কৰে। ১৯৭১ চনত গৱেষণা ফেলোশ্বিপ লাভ কৰি তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে। বিভিন্ন বঁটা বাহনৰ লগতে ফ্ৰান্স বিশ্ববিদ্যালয়ৰ ভ্ৰমণকাৰী বিজ্ঞানী অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ দৰ্শনাৰ্থী, গাণিতিক বিজ্ঞানৰ অধ্যাপক ভি ডি থাৱানি ফেলোশ্বিপকে ধৰি অন্যান্য প্ৰশংসা লাভ কৰিছিল। অসমীয়া ভাষাত কেইবাখনো বিজ্ঞানৰ গ্ৰন্থ তেওঁ ৰচনা কৰি থৈ যায়।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ পৰাণ কুমাৰ ফুকনৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। ২০১৫ চনত তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰিছিল।

০০০০

**ঃঃ সমাপ্ত ঃঃ**